অধ্যায় ৮ ঃ নলিনীবালা দেৱীৰ কবিতা ঃ নাটঘৰ

অধ্যায় গাঁথনি

8.1 উদ্দেশ্য

8.2 পৰিচয়

8.3 ৰহস্যবাদ ঃ সাধাৰণ পৰিচয়

8.4 *নাটঘৰ*

8.4.1 কবি পৰিচয়

8.4.2 কবিতাটিৰ মূল পাঠ

8.4.3 কবিতাটিৰ বিষয়বস্তু

8.4.4 কবিতাটিত প্ৰতিফলিত হোৱা ৰহস্যবাদী চেতনা

8.5 অসমীয়া কবিতাত ৰহস্যবাদ আৰু নলিনীবালা দেৱী

8.6 কবি হিচাপে নলিনীবালা দেৱীৰ মূল্যায়ন

8.7 অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

8.8 অধিক জানিবলৈ

8.9 অগ্ৰগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

8.10 আৰ্হি প্ৰশ্ন

৮.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- কবি নলিনীবালা দেৱী আৰু তেওঁৰ কবিতা সম্পৰ্কে জানিব পাৰিব
- ৰহস্যবাদ সম্পৰ্কে অৱগত হ'ব পাৰিব
- অসমীয়া ৰহস্যবাদী কবিতাৰ ধাৰাটিৰ সৈতে পৰিচিত হ'ব পাৰিব
- কবি হিচাপে নলিনীবালা দেৱীৰ মূল্যায়ন কৰিব পাৰিব।

৮.২ পৰিচয়

অসমীয়া ৰোমাণ্টিক কবিতাৰ জগতখনত এগৰাকী সুপ্ৰতিষ্ঠিতা বিশিষ্টা কবি হৈছে নলিনীবালা দেৱী (1898–1977)। তেওঁ অসমীয়া ৰোমাণ্টিক কবিতাৰ অন্যতম ধাৰা অতীন্দ্ৰিয়বাদী বা ৰহস্যবাদী ভাৱধাৰাত কবিতা ৰচনা কৰি অসমীয়া কবিতাক এটি অনন্য মাত্ৰা প্ৰদান কৰে। আমি এই অধ্যায়টিত কবিগৰাকীৰ সাহিত্য-কৃতি আৰু কবিতা, ৰহস্যবাদ আৰু অসমীয়া কবিতা আৰু মূল পাঠ *নাটঘৰ* সম্পৰ্কে আলোচনা কৰিমহঁক।

৭.৩ ৰহস্যবাদ ঃ সাধাৰণ পৰিচয়

ৰহস্যবাদ ইংৰাজী প্ৰতিশব্দ 'Mysticism'। ই গ্ৰীক শব্দ Mucoৰ পৰা অহা বুলি বহু পণ্ডিতে দাবী কৰে। ইয়াৰ অৰ্থ হ'ল— 'Joining together the edges of a wound'। ৰহস্যবাদ সাহিত্যৰ অন্য তত্ত্বৰ দৰে এটি তত্ত্ব নহয়। ই এটি বিশেষ ধৰণৰ অনুভূতি, অনুভৱ বা উপলব্ধি। এই অনুভূতি বা অনুভৱ সাধাৰণ ইন্দ্ৰিয়ৰ যোগেদি উপলব্ধি কৰিব নোৱাৰি। সেয়েহে ইয়াক অতীন্দ্ৰিয়বাদ বুলিও কোৱা হয়।

এই বিশ্বব্ৰহ্মাণ্ডখনৰ স্ৰষ্টা কোন? আমি জন্মৰ আগতে ক'ত আছিলোঁ আৰু মৃত্যুৰ পাছত ক'লৈ যাম— এইবোৰ মানুহৰ চিৰন্তন প্ৰশ্ন। এই প্ৰশ্নবোৰৰ উত্তৰ মানুহৰ বাবে কেৱল ৰহস্য। এই ৰহস্যৰ ওৰ পেলাবলৈ গভীৰ চিন্তা-চৰ্চাৰে আদিম অৱস্থাৰ পৰা মানুহে নিৰবচ্ছিন্নভাৱে কৃচ্ছ সাধনা কৰি আহিছে। কিন্তু সেই সাধনাৰ স্বৰূপ আৰু অনুভূতিৰ প্ৰকাশ পাত্ৰভেদে ভিন্ন ৰূপী হয়। কবিয়ে কবিতাৰ যোগেদি, ঋষি-মুনিয়ে জ্ঞান-তপস্যাৰ সাধনা বা কায়া সাধনাৰ যোগেদি, ধৰ্ম প্ৰচাৰকে গ্ৰহণযোগ্য আচৰণ বা অমৃত বচন আৰু কল্যাণকামী কৰ্মৰ যোগেদি সাধনাত লিপ্ত হয়। এই সাধনা আৰু অনুভূতিৰ প্ৰকাশেই ৰূপ ভেদে দাৰ্শনিক ৰহস্যবাদ বা ভক্তিমূলক ৰহস্যবাদ হিচাপে নাম পায়।

প্ৰাচ্য আৰু পাশ্চাত্য— উভয় জগততে অতি প্ৰাচীন কালৰে পৰা ৰহস্যবাদী ভাবধাৰাৰ প্ৰকাশ ঘটিছে। গ্ৰীক দাৰ্শনিক প্লেটো, এৰিষ্টটলৰ দাৰ্শনিক চিন্তা-চৰ্চাত ৰহস্যবাদৰ প্ৰকাশ ঘটা দেখা যায়। ইংৰাজ কবি জন, ৱৰ্ডছৱৰ্থ, শ্যেলী, টেনিচন আদি কবিসকল *মৰমীয়া* সম্প্ৰদায়ৰ অন্তৰ্ভুক্ত। পাৰস্যৰ চুফী সাধকসকলো উক্ত সম্প্ৰদায়ত অন্তৰ্ভুক্ত। ভাৰতবৰ্ষত উপনিষদৰ যুগৰ পৰাই ৰহস্যবাদৰ প্ৰকাশ ঘটা পৰিলক্ষিত হয়।

ৰহস্যবাদক *ছায়াবাদ*, *মৰমীয়াবাদ* আদি নামেৰেও জনা যায়। আপাতঃ বৈচিত্ৰ্যময় জগতখনৰ অন্তৰালত থকা পৰম সত্তাৰ লগত জীৱাত্মা এক হৈ যাব পাৰে— এই বিশ্বাসেই হৈছে ৰহস্যবাদৰ মূল ভেটি। 'অক্সফ'ৰ্ড অভিধান'ত ৰহস্যবাদৰ অৰ্থ এইদৰে দিছে— 'Belief in the possibility of union with the divine nature by means of ecstatic contemplation."

পৃথিৱীৰ প্ৰায়বোৰ প্ৰধান প্ৰধান ধৰ্মৰ সৈতে ৰহস্যবাদ জড়িত।ইছলাম, হিন্দু আৰু খ্ৰীষ্টান ধৰ্মৰ সৈতে ৰহস্যবাদী শাখাটো সংলগ্ন হৈ আছে।ইছলাম ধৰ্মৰ মূল ধৰ্মশাস্ত্ৰ *কোৰাণ*ৰ একেশ্বৰবাদৰ আধাৰতেই চুফীবাদী ভাৱধাৰা গঢ় লৈ উঠিছে। হিন্দু ধৰ্মত আধ্যাত্মিক চেতনাৰ ক্ষেত্ৰত ৰহস্যবাদৰ স্থান অতি প্ৰাচীন। উপনিষদৰ *ব্ৰহ্ম* আৰু *একপৰমাত্মা*ৰ তত্ত্বতেই ভাৰতীয় ৰহস্যবাদৰ উন্মেষ ঘটা দেখা যায়। *তৈত্তিৰীয় উপনিষদত* কৈছে— "যাৰ পৰা এই অখিল জীৱবৰ্গ উৎপত্তি হয় আৰু বৰ্দ্ধিত হয় আৰু বিনাশ কালত যালৈকে গমন কৰে, তেওঁকেই জানা, তেৱেঁই ব্ৰহ্ম।" *বৃহদাৰণ্যকত* আছে— "তেৱেঁই প্ৰিয়তম। তেওঁ পুত্ৰতকৈও প্ৰিয়, বিত্ততকৈও প্ৰিয়, সকলোতকৈ প্ৰিয়। কাৰণ এই যে আত্মা, তেওঁ অন্তৰতম...। বিজ্ঞানে জ্ঞানৰ সহায়ত বিশ্বব্ৰহ্মাণ্ডৰ শেষ সত্য তত্ত্বক জানিবলৈ

প্ৰয়াস কৰে। কিন্তু ৰহস্যবাদীজনে স্বতঃস্ফূৰ্ত অনুভূতিৰে পৰম সত্যক জানিবলৈ, উপলব্ধি কৰিবলৈ বিচাৰে।"

উপনিষদৰ এই দাৰ্শনিক ৰহস্যবাদ গভীৰ চিন্তাপ্ৰসূত। পৰম সত্তা বা ব্ৰহ্মৰ স্বৰূপ সম্পৰ্কে যি সৎচিদানন্দ, নিৰ্গুণ, নিৰাকাৰ, জ্যোৰ্তিময় ৰূপৰ কথা কোৱা হৈছে, সেইবোৰ সাধাৰণ মানুহৰ বাবে আছিল অবোধগম্য। গতিকে, পৰম সত্তাৰ এই ৰূপে সাধাৰণ মানুহ বা ভক্তৰ মনত অপাৰ বিস্ময় ভাবৰহে সৃষ্টি কৰিছিল। মধ্যযুগৰ ভক্তি ধৰ্মই সেই পৰম সত্তাক আপোনৰো আপোনজন কৰি ভক্ত আৰু ভগৱানৰমাজৰ ব্যৱধান নোহোৱা কৰিছিল। সুৰদাস, মাধৱদেৱ আদি ভক্তই পৰম সত্তা বা ভগৱানক নিজৰ পুত্ৰৰ দৰে ভাল পাব ধৰিলে (বাৎসল্য ভক্তি)। মীৰাবাঈৰ দৰে ভক্তাই নিজৰ প্ৰিয়তম ৰূপে জ্ঞান কৰি ভক্তি কৰিব ধৰিলে (মধুৰ ভক্তি)। সখি, পুত্ৰ, প্ৰিয়তম, স্বামী বা গৰাকী আদি হিচাপে ভগৱান আপোনৰো আপোনজন হৈ পৰিল। সাধাৰণ ভক্তৰ হৃদয়ত অপাৰ বিস্ময় ভাবৰ ঠাইত প্ৰেম ভাবে স্থান দখল কৰিলে। ভগৱান ভক্তৰ বাবে হৈ পৰিল 'nearest and dearest'। প্ৰেম ভাবৰ আধাৰত অতীন্দ্ৰিয় ঐশী অনুভূতিৰ স্ফূৰণ হোৱা বাবেই ৰহস্যবাদক *মৰমীয়াবাদ* নামেৰেও অভিহিত কৰা হয়। ভাৰতীয় ৰহস্যবাদ ভগৱান আৰু ভক্তক পুৰুষ আৰু প্ৰকৃতি অৰ্থাৎ প্ৰেমিক-প্ৰেমিকা ৰূপত কল্পনা কৰা হৈছে। কিন্তু চুফীবাদত ভগৱান আৰু ভক্তক প্ৰকৃতি আৰু পুৰুষ ৰূপত অৰ্থাৎ প্ৰেমিকা আৰু প্ৰেমিক ৰূপত দাঙি ধৰা হৈছে।ভাৰতীয় ৰহস্যবাদ আৰু চুফীবাদৰ মাজত এইটো এটা মূল পাৰ্থক্য।

ভক্তি আন্দোলনে ভগৱান আৰু ভক্তৰ মাজৰ ব্যৱধান কমাই অনাৰ প্ৰসঙ্গত সুৰেন্দ্ৰ নাথ দাসগুপ্তই 'Hindu Mysticism' নামৰ গ্ৰন্থত কৈছে— "In the new school of Bhakti the conception of God as Creator, Supporter Father and Lord and Master or as the ultimate philosophical principle is subordinated to the conception of God as nearest and dearest."

মধ্যযুগত ভক্তি আন্দোলনে ভাৰতত ৰহস্যবাদী ভাবধাৰা বিস্তাৰিত কৰে। আলোচক উপেন্দ্ৰ নাথ গোস্বামীয়ে *ভাষা আৰু সাহিত্য* গ্ৰন্থত এই সম্পৰ্কে কৈছে— "ভাৰতীয় ৰহস্যবাদৰ মূল প্ৰৱাহ হৈছে মধ্যযুগৰ ভক্তি আন্দোলনৰ ভক্তি প্ৰৱাহটোহে। এই প্ৰৱাহে গোটেই ভাৰতবৰ্ষ প্লাৱিত কৰি তুলিছিল। শঙ্কৰদেৱৰ সময়ত এই প্ৰৱাহে অসমকো চোৱেহি।"

মুঠৰ ওপৰত দেখা যায় যে পৰম সত্তাৰ সৈতে মিলি যোৱাৰ বাসনাই ৰহস্যবাদৰ মূল ভেটি। এই বাসনাই এগৰাকী ৰহস্যবাদীৰ জীৱনৰ মূল লক্ষ্য। তেওঁৰ অন্তৰৰ এই গভীৰ আকুলতা আৰু অনুৰক্তিয়ে সসীমৰ মাজত অসীমৰ, ৰূপৰ মাজত অৰূপৰ, গুণৰ মাজত নিৰ্গুণ পৰম ব্ৰহ্মৰ অস্তিত্বৰ অনুভূতি অনুভৱ কৰায়। এই অনুভূতি সাধাৰণ ইন্দ্ৰিয়জাত অনুভূতিতকৈ সুকীয়া। এক দীঘলীয়া আধ্যাত্মিক যাত্ৰাৰ অন্তত লাভ কৰা এই দিব্য অনুভূতি কেৱল আনন্দময়। *নামঘোষাত* মাধৱদেৱে এই অনুভূতি 'কেৱল আনন্দ অনুভৱ' বুলি বৰ্ণনা কৰিছে। আচলতে এনে কোনো শব্দ নাই, যাৰ যোগেদি সেই অনুভূতি আৰু পৰম ব্ৰহ্মৰ স্বৰূপ ব্যাখ্যা কৰিব পাৰি। মৌনতাই সেই অনুভূতিৰ শ্ৰেষ্ঠ ভাষা বুলি বহুসমালোচকে ক'ব খোজে।কুমাৰী অণ্ডৰহিলে *ৰহস্যবাদ ঔৰ হিন্দী*

কবিতা গ্ৰন্থত ৰহস্যবাদৰ এই দীঘলীয়া আধ্যাত্মিক যাত্ৰাক ছটা অৱস্থা বা স্তৰত ভাগ কৰিছে— (1) আত্ম-জাগৃতি, (2) আত্মশুদ্ধি, (3) আত্মপ্ৰকাশ, (4) আত্মাৰ অন্ধকাৰময় অৱস্থা, (5) অন্তৰ্মুখী প্ৰবৃত্তি আৰু (6) দৈৱী দৃশ্য।

আন এগৰাকী পণ্ডিত ৰামকুমাৰ বাৰ্মাই ৰহস্যবাদ তিনিটা অৱস্থাৰ কথা কৈছে— (ক) জিজ্ঞাসা, (খ) প্ৰযত্ন আৰু (গ) মিলন।

ৰহস্যবাদত বিশ্বাস কৰা হয় যে বিশ্বব্ৰহ্মাণ্ড আৰু সকলো জীৱ-জড় এক মূল উৎসৰ পৰা সৃষ্টি হৈছে। জীৱবোৰ সেই মূল সত্তা বা উৎসৰ পৰা জন্মাৰ সময়ত আঁতৰি আহি পৃথিৱীত এক নিৰ্বাসিত জীৱন কটায়। মৃত্যুৰ পাছত পুনৰ তালৈ উভতি যাব পাৰি। গতিকে জন্ম মানেই যেন বন্ধন, মৃত্যু মানেই মুক্তি। দেহৰ বন্ধনৰ পৰা আত্মাই মুক্তি লভি পৰম আত্মাৰ সৈতে লীন হ'ব পাৰে। আনহাতে সৃষ্টিকৰ্তা পৰম সত্তা তেওঁৰ সৃষ্টিৰ মাজত অন্তৰ্নিহিত হৈ আছে। সাধাৰণ চৰ্মচক্ষুৰে মানুহৰ সীমাবদ্ধতাৰ বাবে আমি জগতখনক ভালকৈ নেদেখো। এই সসীম জগতখনৰ মাজতেই সাধক-কবিয়ে অসীমৰ উপলব্ধি কৰে। গতিকে বাহ্যিক জগতখনেই ভগৱানক পোৱাৰ আধাৰ বা সোপান স্বৰূপ। ভক্তকবি কবীৰে কৈছে— "তেওঁ প্ৰকাশো হৈ থকা নাই, লুকায়ো থকা নাই, দৃশ্য হৈ থকা নাই, অদৃশ্য হৈ থকাও নাই।... ...ঈশ্বৰ জগততে আছে আৰু জগতখনো ঈশ্বৰতে আছে, তেওঁ সকলোতে অন্তৰ্নিহিত।"

জ্ঞানপীঠ বঁটা বিজয়ী কবি জি শঙ্কৰ কুৰুপে মন্তব্য কৰিছে, "প্ৰকৃতি মোৰ বাবে এখন মুকলি কিতাপ। প্ৰতিক্ষণ এই প্ৰকৃতিয়ে মোৰ অন্তৰঙ্গত নতুন নতুন অনুভূতিৰ সঞ্চাৰ কৰে। কেতিয়াবা তেওঁ এক বিশেষ প্ৰতীকী ৰূপত মোৰ ওচৰত প্ৰতিভাসিত হয়। তেতিয়াই মই এই প্ৰকৃতিৰ পিছফালে থকা অনাদি স্বৰ্গীয় সত্তাক স্মৰণ কৰোঁ। প্ৰকৃতিৰ সুন্দৰতাৰ মাজেৰে সত্যৰ কাষ চাপিবৰ চেষ্টা কৰোঁ।"

প্ৰকৃততে কুৰুপৰ এই মন্তব্য সকলো ৰহস্যবাদী কবিৰ ক্ষেত্ৰতে কম-বেছি পৰিমাণে প্ৰযোজ্য।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ১ ঃ ৰহস্যবাদৰ মূল স্তৰ কেইটা আৰু কি কি? (50টা শব্দৰ ভিতৰত লিখক।)

৭.৪ *নাটঘৰ*

৭.৪.১ কবি পৰিচয়

নলিনীবালা দেৱী (1898–1977)ৰ সাহিত্য-কৃতিবিচাৰ কৰিবলৈ হ'লে, আমি সমকালীন অসমীয়া সমাজ আৰু সাহিত্যৰে সৈতে পৰিচয় হোৱাৰ লগতে কবিগৰাকীৰ ব্যক্তিগত জীৱনৰ সৈতেও পৰিচয় হোৱাতো প্ৰয়োজন।

নলিনীবালা দেৱীয়ে দহ বছৰ বয়সতেই *পিতা* নামৰ প্ৰথম কবিতাটি ৰচনা কৰে। শৈশৱতে তেওঁৰ সাহিত্য চৰ্চাৰ বীজটো গজালি মেলিবলৈ ধৰে। নলিনীবালা দেৱী এটি সংস্কৃতিৱান পৰিয়ালত জন্ম গ্ৰহণ কৰি ডাঙৰ-দীঘল হৈছিল। তেওঁ আছিল কৰ্মবীৰ নবীন চন্দ্ৰ বৰদলৈৰ জ্যেষ্ঠা কন্যা। মাত্ৰ ঊনৈশ বছৰ (1917) বয়সতে বিধৱা হোৱা নলিনীবালা দেৱীয়ে অগা-পিছাকৈ দুটি পুত্ৰ সন্তান আৰু পুতলি নামৰ এগৰাকী কন্যা সন্তানক হেৰুৱাই চৰম দুৰ্দশাৰ মুখামুখি হৈছিল।এই চৰম বিপৰ্যয়ৰ সময়ত পিতৃগৃহত আশ্ৰয় লোৱা নলিনীবালাক পিতৃ নবীন চন্দ্ৰ বৰদলৈয়ে অধ্যয়নৰ প্ৰতি স্পৃহা জগাই যথেষ্ট উৎসাহ-উদ্দীপনা যোগাইছিল বুলি কবিগৰাকীয়ে তেওঁৰ আত্মজীৱনী *এৰি অহা দিনবোৰত* উল্লেখ কৰিছে। নলিনীবালাৰ পিতামহ মাধৱ চন্দ্ৰ বৰদলৈ এগৰাকী উচ্চপদস্থ বিষয়া হোৱাৰ লগতে পৰম বৈষ্ণৱ আছিল। পিতৃ নবীন চন্দ্ৰ বৰদলৈ *বৰগীত* আদি শাস্ত্ৰীয় সঙ্গীতত যথেষ্ট ব্যুৎপত্তি থকা ব্যক্তি আছিল। তেওঁলোকৰ ঘৰখনলৈ প্ৰায়ে সাধু-সন্ন্যাসী অহাত নলিনীবালাই প্ৰায়েই তেওঁলোকৰ সঙ্গ লাভ কৰিছিল। কবিৰ এগৰাকী পেহীয়েক বৰ কৃষ্ণভক্তা আছিল আৰু দোভাগ নিশাও কৃষ্ণৰ বাঁহীৰ সুৰ শুনা যেন পাই তেওঁ বৰ ব্যাকুল হৈ উঠিছিল। গতিকে নলিনীবালাই ধৰ্মীয় পৰিৱেশৰ লগতে শৈক্ষিক পৰিৱেশ এটিও লাভ কৰিছিল।

ঘৰখনৰ স্বদেশানুৰাগ, ভগৱদ্‌ভক্তি আৰু সাহিত্য চৰ্চাৰ পৰিৱেশে তেওঁৰ জীৱনৰ সুঁতি সলাই দিয়ে। শৈশৱতে তেওঁৰ মনত ৰোপিত হোৱা ভগৱদ্‌ভক্তিৰ বীজটো যৌৱন কালত বিকশিত হ'বলৈ ধৰে। ভাৰতীয় ঐতিহ্য, সংস্কৃতিৰ প্ৰতি শ্ৰদ্ধাৱান পিতৃ-পিতামহৰ মনোভাৱে নলিনীবালাৰ মনতো অনুকূল ভাবৰ উন্মেষ ঘটাইছিল। ভাৰতীয় *বেদ-বেদান্ত-উপনিষদ, গীতা* আৰু ভাৰতীয় সাহিত্যৰ অধ্যয়নে কবিৰ মানসিক জগতখনত পুষ্টি যোগাইছিল। অসমীয়া নৱ-বৈষ্ণৱ কাব্য *কীৰ্ত্তনঘোষা, নামঘোষাৰ* দৰ্শন আৰু কাব্যিক সুষমাই কবিৰ মানসিক পৰিমণ্ডলত চাপ বহুৱাইছিল। তদুপৰি 'ৰবীন্দ্ৰ কাব্য'ৰ প্ৰভাৱ সমকালীন ভাৰতীয় সাহিত্যত অতি গাঢ় আছিল। ৰবীন্দ্ৰনাথৰ কাব্যিক চিন্তা-চেতনা আৰু কাব্য-সুষমাই তেওঁক প্ৰভাৱান্বিত কৰিছিল।গতিকে নলিনীবালা দেৱীৰ কাব্য সৃষ্টিৰ অন্তৰালত ভাৰতীয় দৰ্শন, নৱ-বৈষ্ণৱবাদ আৰু ৰবীন্দ্ৰ-কাব্যৰ প্ৰভাৱ আছিল উল্লেখযোগ্য অনুঘটক।

1917 চনৰ আগৰ আৰু পাছৰ সময়ছোৱা অসমীয়া সাহিত্যত ৰোমাণ্টিক ভাবৰ বিকাশৰ কাল। ৰোমাণ্টিক চেতনাৰ এটি অন্যতম ধাৰা হৈছে ৰহস্যবাদী ধাৰা। আচলতে ৰহস্যবাদ উপনিষদ, ভক্তিবাদ আদিৰ মাজেদি দাৰ্শনিক আৰু ভক্তিমূলক ৰহস্যবাদে প্ৰকাশ লাভ কৰিছে। বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰৰ *গীতাঞ্জলি* আদি কাব্যৰ মাজেদিও ৰহস্যবাদী ভাবধাৰা প্ৰকাশ লাভ কৰিছে। ৰবীন্দ্ৰনাথৰ *গীতাঞ্জলি পৰ্ব্ব* সময় 1910–1915। গতিকে এনেকুৱা এক সাহিত্যিক বাতাবৰণত নলিনীবালা দেৱীৰ কাব্য-প্ৰতিভা প্ৰস্ফুটিত হৈছে আৰু অসমীয়া ৰহস্যবাদী কবিতাৰ 'সম্ৰাজ্ঞী' হিচাপে বিশিষ্ট স্থান লাভ কৰিছে।

নলিনীবালা দেৱী মুখ্যতঃ এগৰাকী কবি। তেওঁৰ প্ৰকাশিত কবিতা পুথিকেইখন হ'ল— *সন্ধিয়াৰ সুৰ*(1928), *সপোনৰ সুৰ*(1943), *পৰশমণি*(1954), *যুগ দেৱতা* (1957), *অলকানন্দা*(1967), *জাগৃতি*(1962) আৰু *অন্তিম সুৰ*(1977)। *যুগ দেৱতা*আৰু *জাগৃতি* তেওঁৰ স্বদেশপ্ৰেমমূলক কবিতা। বাকীকেইখন ৰহস্যবাদী ভাৱধাৰাৰে সমৃদ্ধ কবিতা পুথি। তেওঁৰ অপ্ৰকাশিত কবিতা পুথিকেইখন হ'ল— *জোনাকী স্বপ্ন, সুৰভি, মন্দাকিনী, সন্ধিয়াৰ সপোন পৰশ, সাঁজৰ পূৰৱী* আৰু *মেঘদূত* (অনূদিত)। তেওঁৰ ৰচিত জীৱনী-পুথিকেইখন হ'ল— *স্মৃতিতীৰ্থ*(1948) (পিতৃ নবীন চন্দ্ৰ বৰদলৈৰ জীৱন-চৰিত), *বিশ্বদীপা*আৰু *চৰ্দাৰ পেটেল*। কবিৰ আত্মজীৱনীখন হ'ল— *এৰি অহা দিনবোৰ*(1976)। *শান্তিপথ*(1971) তেওঁৰ প্ৰকাশিত প্ৰবন্ধৰ পুথি। অপ্ৰকাশিত প্ৰবন্ধ পুথিকেইখন হ'ল— *মানস-তীৰ্থ*আৰু *নাৰদীয় ভক্তিসূত্ৰ*। কবি হিচাপে প্ৰতিষ্ঠিতা হ'লেও তেওঁ নাটক আৰু নাটিকা কিছুমান ৰচনা কৰিছিল। তেওঁৰ প্ৰকাশিত নাটিকাকেইখন হ'ল— *শেষ পূজা, পাৰিজাতৰ অভিষেক, প্ৰহ্লাদ* আৰু *মীৰাবাঈ*। তেওঁৰ বহুকেইখন নাটক এতিয়াও প্ৰকাশ লাভ কৰা নাই।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ২ ঃ নলিনীবালা দেৱীৰ সাহিত্য-কৃতি সম্পৰ্কে এটি চমুটোকা প্ৰস্তুত কৰক। (100টা শব্দৰ ভিতৰত লিখক।)

৮.৪.২ কবিতাটিৰ মূল পাঠ

নাটঘৰ

বিফলতা লৈয়ে এই ৰচিলো জীৱন-গীতি
সৰি পৰে দুচকুৰ নীৰ,
বিশাল বিশ্বত মাথোঁ নয়নৰ লোৰে মোৰ
উপচিল সাগৰৰ তীৰ।
জীৱন সপোন-স্মৃতি দিঠকৰ মৰীচিকা
ছয়ামায়া ছবি সপোনৰ,
জীৱনৰ অৱশেষ বিফলতা হা-হুতাহ
জোখ-মাখ আপোন-পৰৰ।
কোন মহাশূন্য ভেদি আহিছিলোঁ অকলই,
তাকে বহি ভাবোঁ মনে মনে,
বিশাল বিশ্বত আহি পৰিছোঁ কিহৰ খেল,
কিনো পালে মানুহ-জীৱনে।

জীৱন-নাটৰ ভাও কতনো কৰিলোঁ শেষ,
কৰি গ'লো কত অভিনয়,
কতজনে কতৰূপে জীৱনৰ ভাও দি দি
ভাঙি গ'ল মাথোন হৃদয়।
ভাগিল জীৱন-নাট, পৰি গ'ল যৱনিকা,
পুৱতীৰ তৰাও লুকাল,
শূন্য আজি নাটঘৰ, স্মৃতিৰ শলিতা জ্বালি
বহি বহি ৰাতিটো পুৱাল।
কত দিন কত ৰাতি কত উৎসৱ-গীতি,
কত মৰণৰ হাহাকাৰ,
ৰূপৰ তুলিকা ধৰি আঁকো নিতে ছায়াছবি
ফুটি উঠে ৰূপ-লীলা তাৰ।
জীৱনৰ ভাও লৈ লাগিছে বেজাৰ আজি
ভুৱা দেখি লাগিছে ভাগৰ,
সাগৰ-বালিতে সাজি ধেমালিৰ বালিঘৰ
পাহৰিলোঁ ৰূপ সাগৰৰ।
কোন কাৰ জগতৰ, কোন কাৰ মৰমৰ
চকুৰ চিনাকি দুদিনৰ,
সসীমৰ ৰূপ-তৃষ্ণা অসমীত বুৰ যাব
খহি গ'লে জৰী মৰমৰ।

৮.৪.৩ কবিতাটিৰ বিষয়বস্তু

*নাটঘৰ*কবিতাটি *সপোনৰ সুৰ*নামৰ কবিতা পুথিখনৰ পৰা লোৱা হৈছে। এই কবিতা পুথিখন এখন আধ্যাত্মিক বা ৰহস্যবাদী ভাবৰ পুথি। আমি ইতিমধ্যে কৈ আহিছোঁ যে নলিনীবালা দেৱীৰ ৰহস্যবাদী কবিতাত ভাৰতীয় দার্শনিক চিন্তা আৰু নিজস্ব ভাব-অনুভূতিৰ অপূর্ব সমন্বয় সাধন হৈছে। *নাটঘৰ*কবিতাটিত কবিয়ে জীৱন, সংসাৰ আৰু অসীমৰ স্বৰূপ দাঙি ধৰিছে।

কবিতাটিত সংসাৰখনক নাটঘৰৰ লগত আৰু মানুহক ভাৱৰীয়া ৰূপে কল্পনা কৰা হৈছে। নাটত বিভিন্ন ভাৱৰীয়াই নানা চৰিত্রত ক্ষন্তেকৰ বাবে বাই-ভনী-ককাই, আপোন-পৰ চৰিত্রত অভিনয় কৰি আঁতৰি যায়। অভিনয় শেষ হ'লে সম্পর্কতো যতি পৰে। সকলোৱে ঘৰাঘৰি গুচি যায়। আনকি দর্শকেও নাটঘৰ ত্যাগ কৰে। নাটঘৰত বিৰাজ কৰে এক নির্জনতা, শূন্যতা আৰু কৰুণতা। গতিকে কবিতাটিত শিৰোনামটিয়ে তেনে এক বিৰহ, শূন্যতা আৰু ক্ষণভঙ্গুৰতাৰ ব্যঞ্জনা পাঠকৰ মনলৈ লৈ আহি হৃদয়

কৰুণ ৰসেৰে আৰ্দ্ৰ কৰি তোলে। সংসাৰ-নাটঘৰত কবিয়ে কাৰোবাৰ জীয়ৰী, ঘৈণী, বোৱাৰী, মাতৃ আদি হিচাপে কত চৰিত্ৰত অভিনয় কৰি গ'ল। বিভিন্নজনে ভাৱৰীয়াৰ বেশেৰেকবিৰ কাষলৈ আহি ভাও শেষ হোৱাত আঁতৰি গ'ল।কবিয়ে তাকেই সঁচা মৰম বুলি ভুল কৰিলে। তেওঁৰ হৃদয় ভাঙি গ'ল। স্মৃতিয়ে কেৱল কাৰুণ্য লৈ আহিল। কবিৰ জীৱনটো এইদৰে বিফলতাৰে ভৰি পৰিল। কবিয়ে উপলব্ধি কৰিলে মিছাকৈয়ে তেওঁ সংসাৰত আপোন-পৰ বাছি লৈছিল। জীৱনৰ সপোনবোৰৰ পাছে পাছে লৰি ফুৰাটো মৰীচিকা বুলি অনুভৱ হ'ল। নিৰাশাৰ এই তীৰত অকলে বহি কবিৰ প্ৰাণেও মানুহৰ চিৰন্তন প্ৰশ্নৰ সৈতে মুখামুখি হ'ল—

"কোন মহাশূন্য ভেদি আহিছিলোঁ অকলই,
তাকে বহি ভাবোঁ মনে মনে,
বিশাল বিশ্বত আহি পাতিছোঁ কিহৰ খেল
কিনো পালে মানুহ-জীৱনে।"

কবিয়ে দাৰ্শনিক চিন্তাৰে নিজকে বুজিবলৈ, সংসাৰক জানিবলৈ চিন্তাৰ সাগৰত ডুব দিলে। সংসাৰ-নাটঘৰৰ ভুৱা অভিনয়, ক্ষণভঙ্গুৰতা আৰু কৰুণতাই কবিক ভাগৰুৱা কৰি তুলিলে। তেওঁ বুজি উঠিল— জীৱনটো নিয়তিৰ দ্বাৰা নিয়ন্ত্ৰিত। মানুহ নিয়তিৰ হাতত পুতলা। সংসাৰৰ সকলো সুখ সাগৰৰ পাৰৰ বালি-ঘৰৰ দৰেই ঠুনুকা। ভাৰতীয় দৰ্শন আৰু নৱ-বৈষ্ণৱ ধৰ্মৰ দাৰ্শনিক চিন্তাই কবিৰ ব্যক্তিগত জীৱনৰ তিক্ততাপূৰ্ণ অভিজ্ঞতাৰে সানমিহলি হৈ নিজস্ব ভঙ্গীৰে ইয়াত প্ৰকাশ লাভ কৰিছে—

"জীৱনৰ ভাও লৈ লাগিছে বেজাৰ আজি
ভুৱা দেখি লাগিছে ভাগৰ,
সাগৰ-বালিতে সাজি ধেমালিৰ বালিঘৰ
পাহৰিলোঁ ৰূপ সাগৰৰ।"

নৱবৈষ্ণৱ সাহিত্যত প্ৰকাশিত মায়া-মোহত অন্ধ মানুহৰ জীৱনৰ কৰুণতাৰ প্ৰতিধ্বনি কবিতাটিত স্বকীয় ভাষাৰে ফুটি উঠা যেন ধাৰণা হয়। সংসাৰত জীয়াই থাকোঁতে মায়া-মোহৰ বাবে মিছাকৈয়ে আপোন-পৰৰ হিচাপত বন্দী হওঁ। মৃত্যুৰ পাছত আত্মাই আপোন-পৰ চিনি নাপায়, অসীম বা পৰম সত্তাতেই মিলি যায়। সসীম জগতৰ ৰূপ-ৰসৰ প্ৰতি ওপজা তৃষ্ণা বা বাসনা আত্মাবোধ হ'লে মৃত্যুৰ পাছত অসীমতেই লীন যায়। মানুহৰ ৰূপ-ৰসৰ প্ৰতি থকা বাসনা আচলতে পৰম সত্তাৰ প্ৰতি থকা বিৰাট বাসনা। ভূমাৰ সৈতে মিলনেই জীৱৰ শেষ পৰিণতি।

ৰামকুমাৰ বাৰ্মাই কৈছে, "...ইয়াত আত্মাৰ ভগৱানেৰে সৈতে সম্বন্ধই আন সকলো সম্বন্ধক গ্ৰাস কৰে।" *নাটঘৰ* কবিতাটিত উক্ত ভাবৰ প্ৰকাশ ঘটা দেখা যায়। যথা—

"কোন কাৰ জগতৰ, কোন কাৰ মৰমৰ
চকুৰ চিনাকি দুদিনৰ,
সসীমৰ ৰূপ-তৃষ্ণা অসমীত বুৰ যাব
খহি গ'লে জৰী মৰমৰ।" (নাটঘৰ)

কিন্তু ৰহস্যবাদৰ শেষ স্তৰত উপনীত হ'লে জগত ব্ৰহ্মময় হয়। জগতৰ জীৱ-জড়-প্ৰকৃতি —সকলোতে পৰমজনাৰ অস্তিত্ব অনুভূত হয়। *নাটঘৰ* কবিতাটি তেনে স্তৰত ৰচিত নহয়। কবিৰ *মিলন* কবিতাটিত সেই পৰ্যায়ৰ দৈৱী অনুভূতিৰ বৰ্ণনা আছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৩ ঃ *নাটঘৰ* কবিতাটিৰ বিষয়বস্তু সম্পৰ্কে চমুকৈ আলোচনা কৰক। (২০০টা শব্দৰ ভিতৰত লিখক।)

৮.৪.৪ কবিতাটিত প্ৰতিফলিত হোৱা ৰহস্যবাদী চেতনা

ৰোমাণ্টিক কবিতাৰ এটি অন্যতম ধাৰা হৈছে ৰহস্যবাদী ভাবধাৰা। প্ৰাচ্য আৰু পাশ্চাত্য— উভয়তে ৰোমাণ্টিক সাহিত্যত এই ধাৰা গঢ় লৈ উঠিছে। এই প্ৰসঙ্গত পাশ্চাত্যৰ ৱৰ্ডছৱৰ্থৰ নাম বিশেষভাৱে ল'ব পাৰি।

ৰোমাণ্টিক চেতনাৰ মূল আধাৰভূমি হ'ল কল্পনা-প্ৰীতি আৰু ব্যক্তিসত্তাৰ স্বাতন্ত্ৰ্যতা। কল্পনাৰ যোগেদি কল্পলোক সৃষ্টি কৰি বাস্তৱৰ পৰা ৰোমাণ্টিক কবিসকল আঁতৰি থাকে বুলি অভিযোগ কৰা হয়। জন্ম আৰু মৃত্যুৰ সিপাৰৰ অন্ধকাৰ জগতখনৰ সম্পৰ্কে স্পষ্টভাৱে যুক্তিপূৰ্ণ কথাৰে একো ক'ব নোৱাৰিলেও, ৰহস্যবাদত কবিয়ে নিজস্ব অনুভূতি-উপলব্ধিৰে তাৰ বৰ্ণনা দিয়ে। এই অতীন্দ্ৰিয় উপলব্ধিৰ বৰ্ণনা ৰহস্যবাদীৰ দৃষ্টিৰে হয়তো বাস্তৱ। কিন্তু অতীন্দ্ৰিয় জগত, পৰম সত্তা আদিত বিশ্বাস নকৰা মাৰ্ক্সবাদী বা বহু বাস্তৱবাদীৰ দৃষ্টিত হয়তো এইবোৰ অলীক কল্পনা। তেওঁলোকৰ দৃষ্টিত ৰহস্যবাদীয়ে কল্পনাৰ যোগেদি উক্ত কল্পলোকত বাস কৰি বাস্তৱৰ পৰা পলায়ন কৰে। *নাটঘৰ* কবিতাটিত কবিয়ে সংসাৰখনক *নাটঘৰ* আৰু মানুহক ভাৱৰীয়া বুলি কল্পনা কৰি জীৱনৰ ক্ষণভঙ্গুৰতাৰ কথা কল্পনা কৰিছে। এনে ধৰণৰ কল্পনা বিশ্ববিশ্ৰুত নাট্যকাৰ শ্ৰেইক্সপীয়েৰৰ নাটকৰ মাজতো দেখা যায়—

"Life is a drama
The world is a stage
Men are actor
God is the director."

ব্যক্তিসত্তাৰ স্বাতন্ত্র্যতা অর্থাৎ ভাব-অনুভূতিৰ নিজস্বতা ৰোমাণ্টিক সাহিত্যৰ অন্যতম ঘাই বৈশিষ্ট্য। ৰহস্যবাদী কবিয়ে উপৰিউক্ত ৰহস্যময় জগত বা ছায়াময় জগতখন স্বকীয় অনুভূতিৰে দাঙি ধৰে।

নলিনীবালা দেৱীৰ কাব্যিক পৰিমণ্ডলত দার্শনিক আৰু নৱবৈষ্ণৱ ধর্মীয় পৰম্পৰাগত চিন্তা-চর্চা, ৰবীন্দ্রনাথৰ প্রভাৱ, ব্যক্তিগত জীৱনৰ অভিজ্ঞতা আদিৰ সমন্বয় ঘটা পৰিলক্ষিত হয়।নলিনী-বাক্যত সেয়ে গভীৰ চিন্তাৰ লগতে নিজস্ব অনুভূতিৰ মিলন ঘটিছে। *নাটঘৰ* কবিতাটিত কবিৰ ব্যক্তিগত জীৱনৰ কৰুণ অভিজ্ঞতাই অনুভূতিপূর্ণ কথাৰে আবেদনশীলভাৱে প্রকাশ লাভ কৰিছে—

"কতজনে কতৰূপে জীৱনৰ ভাও দি দি
ভাঙি গ'ল মাথোন হৃদয়।

... ...
শূন্য আজি নাটঘৰ, স্মৃতিৰ শলিতা জ্বালি
বহি বহি ৰাতিটো পুৱাল।

... ...
সাগৰ-বালিতে সাজি ধেমালিৰ বালিঘৰ
পাহৰিলোঁ ৰূপ সাগৰৰ।" (নাটঘৰ)

ৰহস্যবাদী কবিয়ে এক আধ্যাত্মিক যাত্রাৰ পৰিণতিত পৰম সত্তাৰ সান্নিধ্য লাভ কৰে। এই যাত্রাপথৰ পৰিক্রমাৎ কবিয়ে বিভিন্ন অভিজ্ঞতাৰ মুখামুখি হ'ব লগা হয়। যাত্রাপথৰ ছটা স্তৰত ক্রমে ক্রমে আগবাঢ়ি ৰহস্যবাদী কবিয়ে লাভ অভিজ্ঞতা সাহিত্যত দাঙি ধৰে। গতিকে, সাহিত্যত প্রকাশিত অভিজ্ঞতাবোৰ একো একোটা স্তৰৰ অভিজ্ঞতা। *নাটঘৰ*কবিতাটিত আমি প্রথম স্তৰ অর্থাৎ আত্ম-জাগৃতি বা 'আত্ম-জিজ্ঞাসা' স্তৰৰ অনুভৱৰ প্রকাশ ঘটা দেখিবলৈ পাওঁ। কবিয়ে মানুহৰ আপোন-পৰ বাচ-বিচাৰ কৰা প্রকৃতিৰ অন্তঃসাৰশূন্যতা অনুভৱ কৰি জগত আৰু জীৱনৰ নিৰর্থকতা অনুধাৱন কৰিছে। নিজকে জানিবলৈ কবিয়ে প্রশ্ন কৰিছে—

"কোন মহাশূন্য ভেদি আহিছিলোঁ অকলই,
তাকে বহি ভাবোঁ মনে মনে,
বিশাল বিশ্বত আহি পাতিছোঁ কিহৰ খেল,
কিনো পালে মানুহ-জীৱনে।" (নাটঘৰ)

গতিকে এইটো স্তৰ হৈছে ৰহস্যবাদীৰ আত্ম-জিজ্ঞাসাৰ স্তৰ। জন্ম-মৃত্যু আৰু জীৱনৰ ৰহস্য বুজিবলৈ, নিজৰ স্বৰূপ উপলব্ধি কৰিবলৈ কবিয়ে ভাৱনাত মগ্ন হৈছে।

আমি ইতিমধ্যে উল্লেখ কৰি আহিছোঁ যে পূর্বসূৰী চিন্তা-চর্চা বা পৰম্পৰাগত ধ্যান-ধাৰণাৰ দ্বাৰা প্রভাৱান্বিত হ'লে মানুহে ব্যক্তিগত জীৱনৰ ঘটনাৱলীকো সেই দৃষ্টিৰে চাবলৈ প্রয়াস কৰে। নলিনীবালা দেৱীয়ে ব্যক্তিগত জীৱনৰ দুর্দশাপূর্ণ ঘটনাৱলীক ভাৰতীয়

দর্শন আৰু নৱ-বৈষ্ণৱবাদী দৃষ্টিভঙ্গীৰে চাবলৈ শিকিলে। কবিয়ে নিজে তেওঁৰ আত্মজীৱনী *এৰি অহা দিনবোৰত* কবিতাৰ উৎস সম্পর্কে কৈছে— "উপনিষদ আৰু বেদৰ গধুৰ ভাৱ কেইটিমানে *পৰশমণিত* আত্ম-প্রকাশ কৰে। ভাৰতীয় দর্শনৰ মাজত মই বিচাৰি পাইছোঁ সংঘাতে আবৰা মোৰ জীৱনৰ শান্তিপথ। ...মই মহান ভাৰতীয় সংস্কৃতিৰ উত্তৰাধিকাৰিণী, মোৰ মন-মানসত আহি ধৰা দিছেহি পূর্বপুৰুষৰ মহান চিন্তাৰ কঁপনি, এয়ে মোৰ কাব্যৰ উৎস।" ইয়াৰ ফল স্বৰূপে, ভগৱৎ প্রেমেই তেওঁৰ জীৱনৰ মূল লক্ষ্য হৈ পৰিল। পূর্বসূৰীসকলৰ চিন্তাৰ আধাৰতেই তেওঁৰ ব্যক্তিগত ভাব-অনুভূতিয়ে পোখা মেলিব ধৰিলে।

*নাটঘৰ*কবিতাটি তেনেকুৱা পটভূমিত বিচাৰ কৰি চাব পাৰি। নৱবৈষ্ণৱ সাহিত্যত মায়া-মোহত আৱদ্ধ হোৱা মানৱ জীৱনৰ ক্ষণস্থায়িত্বৰ কথা আৰু তাৰ নিৰর্থকতা দাঙি ধৰি হৰিৰ চৰণত আশ্রয় লোৱা কথাৰ বর্ণনা পোৱা যায়।

মন কৰিবলগীয়া কথা যে নৱবৈষ্ণৱ সাহিত্যত জীৱ আৰু জগতৰ সকলোতে ভগৱানৰ অস্তিত্ব উপলব্ধি কৰি জগতখনকে বিষ্ণুময় দেখাৰ বর্ণনা পোৱা যায়। ৱহস্যবাদতো শেষ স্তৰত *দৈৱী দৃশ্যৰ* বর্ণনা দেখা যায়। দুয়োটা কথা বা অভিজ্ঞতা আচলতে একেই। যথা—

"কুকুৰ শৃগাল গর্দ্দভৰো আত্মা ৰাম।
জানিয়া সবাকো পড়ি কৰিবা প্রণাম।।
... ...
বিষ্ণুময় দেখে যিটো সমস্তে জগতে।"

আত্মা মানেই পৰমাত্মাৰ অংশ। গতিকে জগতখনেই ব্রহ্মময়। ভগৱানৰ সান্নিধ্য লাভ কৰাৰ 'দৈৱী দৃশ্য'ৰ বর্ণনা নলিনীবালাৰ *মিলন*নামৰ কবিতাটিত দেখা পোৱা যায়। যথা—

"কোনে কয় নেদেখি তোমাক
মৰতৰ মানৱ লোকত?
তুমি চিৰ গোপন দেশৰ
আছা মোৰ নিজান কোণত।
সপোন পাৰৰ তুমি
প্রভু মোৰ আৰাধ্য পৰম
মানসৰ তীৰে তীৰে
দিয়া আহি নিতে দৰশন।"

ইয়াত মানুহ আৰু প্রকৃতি জগত— সকলোতে ভগৱানক দর্শন কৰাৰ বর্ণনা ফুটি উঠিছে। কিন্তু *নাটঘৰ* কবিতাটি ৰচনা কৰা সময়ত কবি এই অভিজ্ঞতাৰ স্তৰত উপনীত হোৱা নাই।

"কোন কাৰ জগতৰ, কোন কাৰ মৰমৰ
চকুৰ চিনাকি দুদিনৰ,
সসীমৰ ৰূপ-তৃষ্ণা অসমীত বুৰ যাব
খহি গ'লে জৰী মৰমৰ।" (নাটঘৰ)

ইয়াত নলিনীবালাই মানুহৰ লৌকিক সম্পৰ্কৰ অন্তঃসাৰশূন্যতাৰ কথা কৈছে। কিন্তু মানুহৰ মাজতেই পৰমজনাৰ অস্তিত্বৰ উপলব্ধিৰ কথা কবিয়ে অনুভৱ কৰা নাই। ৰহস্যবাদীৰ দৃষ্টিত জন্ম মানেই বন্ধন, মৃত্যু মানেই মুক্তি। মৃত্যুৱে আত্মা-পৰমাত্মাৰ মিলনৰ দুৱাৰ মুকলি কৰি দিয়ে। মৃত্যুৰ লগে লগে সসীম জগতৰ বাসনা-তৃষ্ণা অসীম বা পৰম সত্তাত বিলীন হৈ যাব বুলি *নাটঘৰ* কবিতাটিত এইদৰে উল্লেখ কৰিছে।

ৰোমাণ্টিক সাহিত্যৰ অন্য এটি ঘাই বৈশিষ্ট্য হৈছে বিষাদগ্রস্ততা। *নাটঘৰ* কবিতাটিৰ আৰম্ভণিত কবিয়ে কতজনে তেওঁৰ হৃদয় ভাঙি যোৱাৰ বৰ্ণনাৰে ব্যক্তিগত জীৱনৰ কাৰুণ্যৰ ইঙ্গিত দাঙি ধৰিছে। কবিৰ জীৱন-গীতি বিফলতাৰে ভৰি পৰিছে। জীৱন-সাগৰৰ তীৰ চকুলোৰে ভৰি পৰা কবিয়ে স্মৃতি ৰোমন্থন কৰি জীৱনৰ সময়বোৰ পাৰ কৰি শেষত মায়া-মোহ, জীৱন-জগত আৰু সংসাৰৰ স্বৰূপ উপলব্ধি কৰিছে। প্রজ্ঞাৰ উদয় হোৱাত বিষাদগ্রস্ততা আঁতৰি যোৱাৰ কথা কবিতাটিৰ শেষৰ ফালে বর্ণিত হৈছে।

ৰহস্যবাদী কবিয়ে সংসাৰৰ স্বৰূপ আৰু নিয়তিৰ সর্বশক্তিমন্ত ৰূপ উপলব্ধি কৰাৰ বর্ণনা কবিতাটোত পোৱা যায়। যথা—

"সাগৰ-বালিতে সাজি ধেমালিৰ বালিঘৰ
পাহৰিলোঁ ৰূপ সাগৰৰ।" (নাটঘৰ)



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৪ ঃ *নাটঘৰ*কবিতাটিত ৰহস্যবাদৰ কি কি বৈশিষ্ট্য দেখা যায়,চমুকৈ ব্যাখ্যা কৰক। (২০০টা শব্দৰ ভিতৰত লিখক।)

৮.৫ অসমীয়া কবিতাত ৰহস্যবাদ আৰু নলিনীবালা দেৱী

অসমত প্রাচীন কালৰ পৰাই ৰহস্যবাদী ভাবধাৰাৰ পৰম্পৰা এটা চলি আহিছে। এই প্রসঙ্গত উপেন্দ্র নাথ গোস্বামীয়ে মত দাঙি ধৰিছে— "সহজযান-সম্প্রদায়ৰ সিদ্ধসকলৰ দ্বাৰা ৰচিত গীত আৰু দোহাবোৰ পূর্ব ভাৰতৰ আধুনিক ভাষাবোৰৰ লিখিত ৰূপৰ নিচিনা ৰহস্যবাদী ভাবধাৰাৰো নিদর্শন। সহজীয়াসকলে বৌদ্ধ ধর্মৰ *নির্বাণক* নৈৰাত্মা দেৱীৰ ৰূপ দি চিত্ত-শুদ্ধিৰ সহায়েৰে তেওঁক আলিঙ্গন কৰা বা 'মহাসুখ' লাভ কৰাৰ নির্দেশতে ৰহস্যবাদৰ বীজ নিহিত হৈছে। ...অসমীয়া কবিতাত ৰহস্যবাদৰ আভাস বিচাৰিবলৈ হ'লেও চর্যাপদকেই উনুকিয়াব লাগিব।"

ভাৰতবৰ্ষত ভক্তি-আন্দোলনৰ যোগেদি বিস্তাৰিত হোৱা ৰহস্যবাদী ধাৰাটোৱে শঙ্কৰদেৱৰ দিনত অসম চোৱেহি। শঙ্কৰদেৱৰ অনুবাদমূলক আৰু তত্ত্বমূলক গ্ৰন্থৰ যোগেদি ভাৰতীয় দাৰ্শনিক ৰহস্যবাদী ভাৱধাৰাৰ প্ৰকাশ ঘটিছে। তেনেদৰে বৰগীত সমূহো ভাৰতীয় ৰহস্যবাদ ভাৱৰ একপ্ৰকাৰ সঙ্গীতময় ৰূপ বুলি ক'ব পাৰি। এই প্ৰসঙ্গত উপেন্দ্ৰ নাথ গোস্বামীয়ে কৈছে— "ভক্তি-আন্দোলনৰ গুৰিত আছে *ভগৱদ্‌গীতা* আৰু পৰৱৰ্তী কালত ৰচনা কৰা *ভাগৱতপু�ৰাণ*। সেয়েহে *ভাগৱতৰ* অনুবাদ আৰু ভাগৱতী ধৰ্ম প্ৰচাৰাৰ্থে শঙ্কৰ-মাধৱে ৰচা বিবিধ গীত, নাট আৰু পদত ৰহস্যবাদী ভাৱ সোমাই পৰিছে।"

শঙ্কৰদেৱৰ বৰগীতত দাৰ্শনিক ৰহস্যবাদৰ প্ৰকাশ ঘটিছে। যথা—

"য'ত জীৱ জঙ্গম্ কীট পটঙ্গম্।
অগ নগ জগ তেৰি কায়া।।"

কিন্তু শঙ্কৰদেৱৰ সাহিত্যতকৈ মাধৱদেৱৰ সাহিত্যত প্ৰকৃত ৰহস্যবাদী কবিৰ নিচিনাকৈ নিজস্ব ভাব-অনুভূতিৰ প্ৰকাশ বেছি। মাধৱদেৱৰ সাহিত্যত দাৰ্শনিক ৰহস্যবাদ আৰু ভক্তিমূলক ৰহস্যবাদে হাতত ধৰাধৰিকৈ আগবাঢ়িছে। বৈষ্ণৱ কবিসকলৰ মানত কৃষ্ণৰ বাঁহীৰ সুৰটো বিশেষ অৰ্থব্যঞ্জক। এই সুৰ আচলতে পৰম ব্ৰহ্মৰ 'বিশ্বসুৰ', যাৰ শ্ৰৱণত মানৱ আত্মাৰ বোধ জাগি উঠে। গোপীসদৃশ জীৱাত্মাই সেই বাঁহীৰ সুৰত আকুল হৈ পৰমাত্মা স্বৰূপ কৃষ্ণৰ সৈতে মিলনৰ বাবে ব্যাকুল হৈ পৰে। চৈতন্য-শক্তিৰ প্ৰতীক সেই বাঁহী সম্পৰ্কে মাধৱদেৱে কৈছে—

"নিজে বাঁশী ভৈলা মূল প্ৰকৃতি প্ৰথম
সাতগুটি ৰন্ধ্ৰে সাত প্ৰকৃতি নিয়ম
হৰিৰ অধৰে ফুন্ধে পুৰুষ চৈতন্য
জড় বাঁশী প্ৰকৃতি কৰাৱে প্ৰৱৰ্ত্তন।"

অসমীয়া সাহিত্যত ভক্তিমূলক ৰহস্যবাদী ভাৱৰ প্ৰথম মৰ্মস্পৰ্শী প্ৰকাশ ঘটিছে মাধৱদেৱৰ *নামঘোষা* কাব্যত। *নামঘোষা* মাধৱদেৱৰ আধ্যাত্মিক উপলব্ধি বা অভিজ্ঞতাৰ প্ৰকাশ। ইয়াৰ প্ৰায় আধা সংখ্যক ঘোষাই মাধৱদেৱৰ নিজস্ব অনুভূতিৰ পৰা নিঃসৰি ওলোৱা। ইয়াৰ পাছত নৱবৈষ্ণৱ ধৰ্মৰ বিভিন্ন ভকতসকলৰ ৰচনাত দাৰ্শনিক ৰহস্যবাদ আৰু ভক্তিমূলক ৰহস্যবাদ অনুবাদৰ যোগেদি প্ৰকাশ লাভ কৰিছে। কিন্তু মাধৱদেৱৰ সাহিত্যৰ দৰে স্বতঃস্ফূৰ্ত ভাব-অনুভূতিৰ প্ৰকাশ সেইবোৰ নাই বুলিয়ে ক'ব পাৰি।

আমি ইতিমধ্যে উল্লেখ কৰি আহিছোঁ যে চুফীবাদ ৰহস্যবাদৰে এটি অন্যতম শাখা। শঙ্কৰোত্তৰ *চাহাপৰী উপাখ্যান* বা *মৃগাবতী চৰিত* আৰু অজ্ঞাত কবিৰ *মধুমালতী* কাব্যত চুফীবাদী ভাবধাৰাৰ প্ৰকাশ ঘটিছে। উক্ত কাব্য দুখনত নায়কে নায়িকাক লাভ কৰাৰ বাবে এক সঙ্কটময় যাত্ৰা আৰম্ভ কৰা ৰূপকেৰে ভক্তই ভগৱানক লাভ কৰাৰ আধ্যাত্মিক যাত্ৰাৰ ছবি দাঙি ধৰা হৈছে।

অসমীয়া কবিতাত ৰহস্যবাদী ভাবধাৰাই ৰোমাণ্টিক যুগত বিশেষভাবে প্ৰসাৰতা লাভ কৰে। এই ক্ষেত্ৰত পোনতে চন্দ্ৰকুমাৰ আগৰৱালাৰ নাম ল'ব পাৰি। তেওঁৰ *বীণবৰাগী* আৰু *প্ৰতিমা* কবিতা পুথিৰ মাজে মাজে ৰহস্যবাদৰ প্ৰকাশ ঘটিছে। যথা—


"বিশ্বৰ বীণত বাঞ্ছাৰ উঠিছে
মিলোৱা তাৰেই সুৰ
আকাশৰ লক্ষ গ্ৰহ সমন্বিতে
ওঙ্কাৰ ধ্বনিৰে পূৰ।"

প্ৰতিমা কবিতা পুথিৰ *জোনাকী* নামৰ কবিতাটিত আছে—

"পৰ্ব্বতে পাষাণে অৰণ্যে আকাশে
বিমানে স্বৰ্গীয় বিভা
ঝুন ঝুন ঝুন গছ পাত লতা
আহিছে বাতৰি কিবা।"

ৰঘুনাথ চৌধাৰীৰ ৰহস্যবাদক প্ৰকৃতিমূলক ৰহস্যবাদ বুলি ক'ব পাৰি। প্ৰাচ্য-পাশ্চাত্য উভয় জগতৰ ৰোমাণ্টিক সাহিত্যতেই দেখা যায় যে প্ৰকৃতি আৰু নাৰী প্ৰেমৰ মাজেদি কবিয়ে পৰম সত্তাৰ অস্তিত্ব অনুভৱ কৰিছে।

ইয়াক এটি ত্ৰিভুজ চিত্ৰৰে এনেদৰে দেখুৱাব পাৰি—



ৰঘুনাথ চৌধাৰীৰ কবিতাত প্ৰকৃতি জগতৰ ফুল, চৰাই আদি উপাদানে কবিৰ হৃদয়ত পৰম সত্তাৰ অস্তিত্ব সজীৱ কৰি তোলাৰ বৰ্ণনা পোৱা যায়। কবিৰ *কেতেকী* কাব্যত সেই সত্তাৰ অন্বেষণ, মিলন আৰু মিলনৰ আনন্দৰ কথা সুন্দৰভাৱে ফুটি উঠিছে। তেনেদৰে *ফুলশয্যা* কবিতাত জন্ম আৰু মৃত্যুৰ ধাৰণাটো ৰহস্যবাদী দৃষ্টিৰে দাঙি ধৰিছে।

নাৰীপ্ৰেমৰ মাজেদি ভগৱৎ প্ৰেমৰ উপলব্ধি কৰা অসমীয়া ৰহস্যবাদী কবিগৰাকী হৈছে অম্বিকাগিৰী ৰায়চৌধুৰী। গতিকে তেওঁৰ কবিতাৰ ৰহস্যবাদ প্ৰেমমূলক বুলি ক'ব পাৰি। মহেশ্বৰ নেওগে এই প্ৰসঙ্গত কৈছে— "প্ৰথম স্তৰৰ *তুমি* আৰু *বীণা* দুয়োখন পুথি বিশৃঙ্খল গতিত গৈ থকা জীৱনৰ প্ৰথম ভাগৰ উদ্‌ভ্ৰান্ত প্ৰেমটোৰ বিকাশ, কিন্তু এই প্ৰেমে ইন্দ্ৰিয়গ্ৰাহ্য সম্ভোগৰ ভিত্তিত ইন্দ্ৰিয়াতীত অনুভূতিৰ পৰিণত হৈ জাগতিক আসক্তিৰ ক্লেশৰ হাত এৰাই অনন্তৰ সৌন্দৰ্যত সানমিহলি হৈ যাবলৈ প্ৰয়াস বিচাৰিছে। কবি ইয়াত মিষ্টিক বা ছায়াবাদী ভাবাপন্ন; *তুমিত* ডেকা প্ৰেমিকে যৌৱনৰ স্বপ্নৰ মাজেদি অনন্ত প্ৰেমৰ ভুমুকি দেখা পাইছে।"

অসমীয়া ৰহস্যবাদী কবিকূলৰ ভিতৰত নলিনীবালা দেৱী এগৰাকী আগশাৰীৰ কবি। ৰহস্যবাদৰ আটাইকেইটা স্তৰৰ ভাব-অনুভূতি চিনাকি মানস-চিত্ৰৰে সাৱলীলভাৱে তেওঁ দাঙি ধৰিছে। ভাৰতীয় দৰ্শনৰ গভীৰ চিন্তা আৰু নিজস্ব অনুভূতিৰে নলিনীবালা দেৱীৰ কবিতা সমৃদ্ধ।

গতিকে তেওঁ এগৰাকী দার্শনিক ৰহস্যবাদী কবি। ভাৰতীয় ৰহস্যবাদী কবিসকলৰ দৰে কবিয়েও পৰম সত্তাক পুৰুষ আৰু নিজকে নাৰীৰূপে কল্পনা কৰিছে। যথা—

"যুগান্ত পথৰ মই সুন্দৰৰ অভিসাৰিকা
পূজাৰিণী, ধ্যানৰতা উমা।" (অলকানন্দা ঃ জীৱনক কৰোঁ মনোৰমা)

ভাৰতীয় দর্শনৰ ব্রহ্মতত্ত্ব বা পৰমাত্মা তত্ত্ব, একেশ্বৰবাদ, জন্মান্তৰবাদ, কর্মফলবাদ, জন্ম-মৃত্যু বা সংসাৰ-চক্র আদি তাত্ত্বিক ধাৰণাসমূহৰ প্রভাৰ আৰু ৰবীন্দ্র কাব্যৰ ৰহস্যবাদী ভাৱধাৰাৰে পুষ্ট হ'লেও তেওঁৰ কবিতা নিজস্ব ভাব-অনুভূতিৰ স্বকীয় প্রকাশেৰে বৈশিষ্ট্যসম্পন্ন।

নলিনীবালা দেৱীৰ ৰহস্যবাদী কবিতা পুথিকেইখনৰ ভিতৰত *অলকানন্দাৰ* এটি বিশেষ স্থান আছে। ইয়াত এটা নতুন ভাৱ আৰু সুৰ ফুটি উঠিছে, যিটো অন্য অসমীয়া ৰহস্যবাদী কবিতাত নাই। বেদ-উপনিষদত বর্ণোৱা মৃত্যুৰ পাছত আত্মাৰ গতি-পথৰ সন্ধানৰ ছবি *অলকানন্দা* পুথিতো পোৱা যায়। এই কবিতা পুথিৰ *বিশ্বসুৰ* কবিতাটিত এটি নতুন সুৰ কবিয়ে দাঙি ধৰিছে। জগতেৰে সৈতে কবিৰ সম্পর্ক চিৰকালৰ। কবিয়ে এই পৃথিৱীত চিৰকাল সঙ্গীতৰ সুৰ ৰূপে বিয়পি আছে। এই বিশ্বব্যাপী সুৰৰ এটা অঙ্গ হৈছে কবি।

"মানুহ প্রাণতে আছে সাতডালি সুৰ-তাঁৰ,
বিশ্বসুৰে বন্ধা আছে তাঁৰৰ কঁপনি।" (অন্তিম সুৰ ঃ ক্ষয় নাই নাই)

"আছোঁ ৰৈ চিৰকাল অনাদি সঙ্গীত ৰূপে,
প্রকৃতিৰ বোৱতী সুঁতিত।" (বিশ্বসুৰ)

গতিকে কবি আৰু জগতৰ এই চিৰযুগমীয়া সম্পর্ক স্থাপন হোৱাত মৃত্যুৰ পাছত কবিয়ে আৰু সাগৰৰ নীলাৰ সিপাৰৰ ঠাইলৈ যাবলৈ মন কৰা নাই। মৃত্যুৰ পাছত পুনৰ এই পৃথিৱীখনলৈ আহিবলৈ বাঞ্ছা কৰিছে। ধৰণীৰ অণু-পৰমাণু, ধূলিকণাৰে সৈতে মিলি থাকি অসীমৰ লগত চিৰ আনন্দ লাভ কৰা পথৰ সন্ধান কবিয়ে দাঙি ধৰিছে।

"ফুলিম আকৌ আহি
এৰি যোৱা মৰমী ধৰাত— সৌৰভ সঁফুৰা লৈ
সৃষ্টি ফুলনিত।
হে ধৰণী জন্মাদাত্রী! অভগাক দিয়া স্থান,
দিয়া দেহ, দিয়া প্রাণ;
ধূলিৰ পৰশ মাগে অশান্ত আত্মাই
তোমাৰ শুৱনি এই জিৰণি কোলাত
দিয়া নৱজনমৰ অনুপম দান।" (এটি দীঘলীয়া বাতি)

এই সুৰটো অসমীয়া ৰহস্যবাদী কবিতাত একেবাৰে নতুন আৰু ই নলিনী-কাব্যৰ এটি বিশিষ্ট সুৰ ৰূপে স্বীকৃত হৈছে। কবিৰ *পৰমতৃষ্ণা, সমাধি, নাৱৰীয়া, শেষ অর্ঘ্য, ভাগৰুৱা, মিলন* আদি কবিতাসমূহ অসমীয়া সাহিত্যৰ শ্রেষ্ঠ ৰহস্যবাদী কবিতা বুলি ক'ব পাৰি।

গতিকে দেখা যায় অসমীয়া সাহিত্যত ৰহস্যবাদী ধাৰাটো নলিনীবালা দেৱী আৰু অম্বিকাগিৰী ৰায়চৌধুৰীৰ হাতত বিকাশ লাভ কৰি সুপ্রতিষ্ঠিত হৈছে। অসমীয়া ৰহস্যবাদী কবিতাত নলিনীবালাৰ স্থান এগৰাকী মহাৰথীৰ দৰে। কবি হিচাপে তেওঁৰ মূল্যায়ন পৰৱর্তী ছেদত দাঙি ধৰা হৈছে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৫ ঃ *নামঘোষা* কাব্যত ৰহস্যবাদৰ প্রকাশ সম্পর্কে এটি চমু আলচ দাঙি ধৰক। (300টা শব্দৰ ভিতৰত লিখক।)

৮.৬ কবি হিচাপে নলিনীবালা দেৱীৰ মূল্যায়ন

প্রকৃত ৰহস্যবাদী কবি এগৰাকীৰ বাবে পর্যবেক্ষণ আৰু নিজস্ব ভাব-অনুভূতিৰ গভীৰতা তথা সাৱলীলতা একান্তই গুৰুত্বপূর্ণ কথা। কৃত্রিম ভাব-অনুভূতিৰে সাৱলীল প্রকাশভঙ্গীযুক্ত কবিতা ৰচনা কৰা সহজসাধ্য নহয়। নলিনীবালা দেৱীৰ কবিতাত ভাব আৰু ভাষাৰ সাৱলীলতা পৰিলক্ষিত হয়। ব্যক্তিগত জীৱনৰ দুখ-কাৰুণ্যই ভগৱৎমুখী কবি তোলাৰ কবিৰ হৃদয়ৰ আবেগ-অনুভূতিৰ প্রৱাহ নদীৰ গতিৰ দৰেই স্বাভাৰিক আছিল। হৃদয়ত উঠলি উঠা আবেগৰ স্বতঃস্ফূর্ত প্রকাশে কবিতাক সৌন্দর্য-সুষমা প্রদান কৰিছে। "কবি-প্রতিভা, জীৱনৰ অভিজ্ঞতা, ঋষি-সন্ন্যাসীসকলৰ সান্নিধ্য আদি আটাইবোৰ প্রভাৱত কবি-মনত মাজে মাজে একোটা গভীৰ অনুভূতিৰ সৃষ্টি হ'বলৈ ধৰিলে। তাৰ ফলস্বৰূপে আৰম্ভ হ'ল তেওঁৰ কবিতা। কবিয়ে নিজে কোৱাৰ নিচিনাকৈ তেওঁ লেখোঁ বুলি কোনো কবিতা লেখা নাই। মনলৈ কেতিয়াবা একোটা বিশিষ্ট ক্ষণ আহে। সেয়ে শুভ মুহূর্ত। কোনো এটা চিন্তা বা ধাৰণা চিত্তত স্থিত হৈ এই শুভ মুহূর্তত কবিৰ মাধ্যমেৰে যেন প্রকাশ বিচাৰি আহে। এয়া কবিৰ নিজ মুখৰ কথা। কবিতা সৃষ্টিৰ কাৰণে তেওঁ 'ষষ্ঠ ইন্দ্রিয়'ৰ কথা কয়।" সেই ইন্দ্রিয়ইহে যেন কবিতা লেখায়—

"মইতো নেগাওঁ গান, কোনে জানো গায়
মোৰ পৰাণৰ গোপন আঁৰত ঃ মইতো
নেজানো নিজে, কোনে মোৰ প্রাণ-বীণ
বাই যায় নজনা সুৰত।" (সপোনৰ সুৰ ঃ মইতো নেগাওঁ গান)

কবিৰ মতে— *"লেখাটো প্রেৰণাৰ ফল। কবিতাও প্রেৰণাৰ ফল।"*

ভাবৰ দৰে ভাষাও নলিনী-কাব্যৰ এক ঘাই সম্পদ। এই ভাষা সাধনাৰ ভাষা। নলিনীবালাই ৰবীন্দ্রনাথৰ সাহিত্যৰ লগতে শঙ্কৰ-মাধৱৰ সাহিত্য আৰু সমকালীন সাহিত্যিকসকলৰ সাহিত্য অধ্যয়ন কৰিছিল। গতিকে পূর্বজসকলৰ ভাষাৰ সৌন্দর্য-সুষমা নলিনী-কাব্যত বিচাৰি পোৱা যায়। পূর্বসূৰী কবি যতীন্দ্র নাথ দুৱৰাৰ ভাষাৰ দৰে নলিনীবালা দেৱীৰ ভাষা নিমজ আৰু সাৱলীল। ই বিষয়বস্তু অনুধাৱনত জটিলতা সৃষ্টি কৰা নাই। তেওঁৰ পূর্বজ ৰহস্যবাদী কবি অম্বিকাগিৰী

ৰায়চৌধুৰীৰ ভাব-অনুভূতি আৰু ভাষা নলিনী-কাব্যৰ ভাষাতকৈ কিছু জটিল। সংস্কৃতগন্ধী, সন্ধি-সমাসযুক্ত আৰু বলিষ্ঠ ছন্দৰীতিৰে তেওঁৰ ভাষা কিছু পৰিমাণে জটিল যেন ধাৰণা হয়। তদুপৰি কল্পচিত্ৰৰ প্ৰয়োগতো ৰায়চৌধুৰীয়ে জটিল চিত্ৰ প্ৰয়োগ কৰা দেখা যায়। যথা—

"জিলমিল তেজোদগ্ধা নভোজ্যোতি
তাৰকা মালাই
মোল'কে নমাই দিয়া ৰশ্মিসূতা
কোঁচাই কোঁচাই,
মহানীল ডোখৰৰ দুয়ো মূৰে গাঁথি,
সপ্তসুৰী বিৰহ দলিছা তাতে পাতি,
অপূর্ব দোলাখন তুলিম সজাই," (বিশ্ব-দোলন)

এই জটিল মানস-চিত্ৰৰ সলনি নলিনী-কাব্যত লোকজীৱনৰ তেনেই পৰিচিত মানস-চিত্ৰৰ ব্যৱহাৰ হোৱা দেখা যায়। 'পখী' আৰু 'চিতাগ্নি'ৰ মানস-চিত্ৰৰে দার্শনিক ভাৱ অতি সহজ-সৰলভাৱে আৰু আবেদনাশীলতাৰে দাঙি ধৰিছে। নলিনী-কাব্যৰ চিত্ৰময় ভাষা আৰু কল্পনা সমসাময়িক কবিৰ সাহিত্যত একপ্ৰকাৰ বিৰল বুলিয়ে ক'ব পাৰি। ই ভাবক যিমান সহজ-সৰলভাৱে প্ৰকাশ কৰিছে, পাঠকৰ মনকো সিমান সহজে আকৰ্ষিত কৰে। যথা—

"চিতামি হোমাগ্নি হ'ব
সমীৰণ মলয় চন্দন,
সিদিনা সার্থক হ'ব
পূর্ণ অর্ঘ্য, পূর্ণ ই জীৱন।" (শেষ অর্ঘ্য)

ব্যঞ্জনাময় ভাষাৰে যি অভিনৱ চিত্ৰৰ বর্ণনা দাঙি ধৰিছে, সি কাব্যিকতাৰ পিনৰ পৰা সৰল আৰু সুষমাযুক্ত হোৱাৰ লগতে পাঠকৰ মনৰ গভীৰতাত খুন্দিয়াই যাব পৰা ধৰণৰ। যথা—

"দূৰণিৰ পখীজাক মিলি যায় দিগন্তত
মাতি যায় আকুল সুৰত
প্ৰতিধ্বনি বাজে সুদূৰত,
জীৱন লগৰী মোৰ পিঁজৰাৰ পখীটিও
মিলি যাব খোজে অনন্তত,
অসমীমৰ অচিন বাটত।" (পৰম তৃষ্ণা)

নলিনীবালা দেৱীৰ কবিতাত ভাৰতীয় দর্শনৰ লগতে নিজৰ গভীৰ চিন্তা-চর্চা আৰু অনুভূতি সংযোগ হোৱাত তাৰ ওজস্বিতা বাঢ়িছে। এই সমন্বয় উপৰুৱা নহৈ মাধৱদেৱৰ সাহিত্যৰ দৰেই নিজস্ব শৈলীত প্ৰকাশ লাভ কৰিছে। জন্মান্তৰবাদ, কর্মফলবাদ আদি দার্শনিক কথাও কাব্যিক সুষমাৰে সহজভাবে প্ৰকাশিত হৈছে—

"কতবাৰ জনমিলোঁ তোমাৰ কোলাত
গ'ইছিলোঁ আকউ উভতি,
অপূৰণ কৰমৰ ভাৰ বান্ধি ল'ই
ঘূৰি ঘূৰি আহিছোঁ উভতি।"

ভাৰতীয় দৰ্শন আৰু নিজৰ ভাৱ-অনুভূতিৰ এনে কাব্যিক সুষমাযুক্ত সমন্বয় তেওঁৰ সমসাময়িক কবি ধৰ্মেশ্বৰী দেৱী বৰুৱানীৰ কবিতাতো দেখা নাযায়। ভাবৰ সাৱলীলতাৰ লগতে ভাষাৰ সৌন্দৰ্য আৰু নিমজতা নলিনী-কাব্যৰ দৰে তাত পোৱা নাযায়। উদাহৰণ স্বৰূপে, *পখীৰ* কল্পচিত্ৰ দুয়োগৰাকী কবিয়ে ব্যৱহাৰ কৰিছে। কিন্তু দুয়োৰে কবিতাৰ মাজত পাৰ্থক্য সুস্পষ্ট। যথা—

"দুদিনীয়া সংসাৰৰ মায়া পৰিহৰি
মৰমৰ দেহসজা এৰি থৈ যায়,
পৰাণ পখীটি যায় কোন দেশলৈ
মানৱৰ দুচকুৰে বিচাৰি নাপায়
আত্মাই দিলে বাণী, চাই চকু মেলি
আত্মা মিহলি হ'ল মহা-চৈতন্যত।"
"তেনেহ'লে পখী বুজিলো ধুৰূপ
তোৰে মোৰে প্ৰাণ একে
কোনোটি প্ৰাণীৰ নাই ভিন পৰ
মানুহে নুবুজে তাক।"

নলিনী-কাব্যক বিষয়বস্তুৰ পিনৰ পৰা তিনিটা ভাগত ভাগ কৰিব পাৰি— ৰহস্যবাদী কবিতা, দেশপ্ৰেমমূলক কবিতা আৰু বিবিধ বিষয়ক কবিতা।

কাব্যৰ বিচাৰ-বিশ্লেষণ প্ৰসঙ্গত এটা কথা বিশেষ গুৰুত্বপূৰ্ণ যে ভাব-অনুভূতি বা অভিজ্ঞতা যিমানেই স্বাভাৱিক আৰু স্বতঃস্ফূৰ্ত হয়, সি সিমানেই চুম্বকীয় আকৰ্ষণীয়তা লাভ কৰে। ৰহস্যবাদী কবিতাই হওক বা দেশপ্ৰেমমূলক কবিতাই হওক— নলিনীবালা দেৱীয়ে বাস্তৱ জীৱনত লাভ কৰা গভীৰ উপলব্ধিৰে কবিতাবোৰ ৰচনা কৰিছে। গতিকে ভাৱ-ভাষাই ক'তো উজুটি খোৱা নাই। নদীৰ লহৰৰ দৰে ই স্বাভাৱিক গতিত আগবাঢ়ি অপূৰ্ব সৌন্দৰ্যৰ জিল্‌মিল্‌নি কৃষ্টি কৰিছে। *জনমভূমি*নামৰ দেশপ্ৰেমমূলক কবিতাটি অসমীয়া সাহিত্যৰ দেশপ্ৰেমমূলক শ্ৰেণীৰ এটি অতি উৎকৃষ্ট মানৰ কবিতা। যথা—

"দুখীয়াৰ ভগা পঁজা একোখনি তীর্থ তাত
একোখনি পুণ্যৰ আশ্ৰম
মৰিলে পুনৰ আহি দুখীয়া দেশতে মোৰ
লওঁ যেন পুনৰ জনম।"

মুঠতে, নলিনীবালা দেৱীৰ কবিতা তেওঁৰ প্ৰাণৰ ভাব-নিজৰাৰ পৰা নিগৰি ওলোৱা মুকুতা। ই স্বাভাৱিক সৌন্দৰ্যৰে জাজ্জ্বল্যমান। অসমীয়া ৰহস্যবাদী ধাৰাৰ কবিকুলৰ মাজত নলিনীবালা দেৱী নিঃসন্দেহে এগৰাকী শ্ৰেষ্ঠা কবি। সমসাময়িক ভাৰতীয় ৰহস্যবাদী ধাৰাৰ কবিকুলৰ মাজতো আগশাৰীত স্থান লাভ কৰিব পৰা গুণেৰে তেওঁৰ কবিতা সমৃদ্ধ।যাৰ স্বীকৃতি স্বৰূপে 1956 চনত তেওঁ 'সৰ্বভাৰত সংস্কৃত সঞ্জীৱনী সভা'ৰ অসম শাখাৰ পৰা *কাব্যভাৰতী* উপাধি লাভ কৰে। 1968 চনত *অলকানন্দ* কবিতা পুথিৰ বাবে সাহিত্য অকাডেমী বঁটা লাভ কৰি সেই বঁটা লাভ কৰা প্ৰথম অসমীয়া মহিলা সাহিত্যিক হিচাপে সন্মান লাভ কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন নং ৬ ঃ কবি হিচাপে নলিনীবালা দেৱীৰ এটি মূল্যায়ন আগবঢ়াওক। (500টা শব্দৰ ভিতৰত লিখক।)



৮.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ৰহস্যবাদ সম্পর্কে অৱগত হ'লোঁ। প্রাচ্য আৰু প্রতীচ্য— উভয়তে প্রাচীন কালৰে পৰা সাহিত্যত এই ভাবধাৰাৰ প্রকাশ ঘটিছে। ই মূলতঃ এক তত্ত্ব নহয়, এক অনুভূতিহে।
- কবি নলিনীবালা দেৱী আৰু তেওঁৰ কবিতা সম্পর্কে জানিব পাৰিলোঁ। নলিনী-কাব্যত ভাৰতীয় দর্শন, নৱ-বৈষ্ণৱবাদ আৰু ৰবীন্দ্র-কাব্যৰ প্রভাৱ পৰা দেখা যায়।
- কবিতাৰ উপৰি তেওঁ প্রবন্ধ, জীৱনী, নাটক আদি ৰচনা কৰিছিল। অৱশ্যে তেওঁ মুখ্যতঃ এগৰাকী ৰহস্যবাদী কবিহে আছিল। তেওঁৰ কবিতাসমূহক প্রধানভাৱে তিনিটা ভাগত ভগাব পাৰি— ৰহস্যবাদী কবিতা, স্বদেশপ্রেমমূলক আৰু অন্যান্য। 1941 চনত অসমক পাকিস্তানৰ অন্তর্ভুক্ত কৰিবলৈ এক ষড়যন্ত্র চলিছিল। অসমৰ মানুহৰ আবেদনক কবিয়ে *বাপুজীলৈ চিঠি* নামৰ কবিতাটিত দাঙি ধৰিছে। তেনেদৰে দ্বিতীয় বিশ্বযুদ্ধৰ ভয়ঙ্কৰ ৰূপৰ কথা 1943 চনত *পাহাৰী তোমাৰ নাম নাযাবা পাহৰি* শীর্ষক কবিতাত ফুটাই তুলিছে। এই কবিতাটি বিবিধ বিষয়ক কবিতাত ধৰিব পাৰি।
- অসমীয়া ৰহস্যবাদী কবিতাৰধাৰাৰে সৈতে পৰিচয় হ'লোঁ। উক্ত ধাৰাৰ কবিকুলৰ মাজত নলিনীবালা দেৱী অপ্রতিদ্বন্দ্বীভাৱে এগৰাকী সাম্রাজ্ঞীৰ দৰে ভাস্বৰ হৈ আছে। তদুপৰি ভাৰতীয় ৰহস্যবাদী কবিগোষ্ঠীৰ মাজতো তেওঁ আগশাৰীত আসন লাভ কৰিব পৰা এগৰাকী কবি আছিল বাবেই 'কাব্যভাৰতী' উপাধিৰে সন্মানিত কৰা হৈছিল। সাহিত্য অকাডেমী বঁটা লাভ কৰা তেওঁ প্রথম অসমীয়া মহিলা কবি আছিল।



৮.৮ অধিক জানিবলৈ

অসমীয়া গ্রন্থ ঃ

1) অসমীয়া বিভাগ, কটন কলেজ (সম্পা.) (2005); *সাহিত্য মালঞ্চ*; গুৱাহাটী ঃ ময়ূৰ প্রকাশ।
2) গোস্বামী, উপেন্দ্র নাথ (1985); *ভাষা আৰু সাহিত্য*; গুৱাহাটী ঃ মণি-মাণিক প্রকাশ।
3) ডেকা হাজৰিকা, কৰবী (2003); *কবিতাৰ ৰূপছায়া*; ডিব্রুগড় ঃ বনলতা।
4) ডেকা হাজৰিকা, কৰবী (2006); *অসমীয়া কবিতা*; ডিব্রুগড় ঃ বনলতা।

5) নাথ, প্রফুল্ল কুমাৰ (2009); *অসমীয়া কবিতাৰ প্রৱাহ*, পাণবজাৰ ঃ গুৱাহাটী ঃ বুকলেণ্ড।
6) বৰদলৈ, নির্মলপ্রভা (সম্পা.) (2008); *কবিতা মঞ্জৰী*, বিশ্ববিদ্যালয় প্রকাশন বিভাগ, গুৱাহাটী বিশ্বাবিদ্যালয়, গুৱহাটী।
7) বৰা, দিলীপ (2008); *তুলনাত্মক সাহিত্য*, পাণবজাৰ ঃ গুৱাহাটী ঃ চন্দ্র প্রকাশ।
8) মেধি, ৰমেন (সম্পা.) (2016); *তুলনামূলক সাহিত্য বিচাৰ*, গুৱহাটী ঃ বনলতা।
9) শর্মা, সত্যেন্দ্রনাথ (2000); *অসমীয়া সাহিত্যৰ সমীক্ষাত্মক ইতিবৃত্ত* গুৱাহাটী ঃ সৌমাৰ প্রকাশ।

ইংৰাজী গ্রন্থ ঃ

1) Barua, Preeti (2000); *Nalinibala Devi: Makers of Indian Literature*; Sahiyta Akademi.

৮.৯ অগ্রগতিৰ খতিয়ান (কেৱল ৰূপৰেখা)

১নং প্রশ্নৰ উত্তৰ ঃ ৰহস্যবাদী কবিৰ আধ্যাত্মিক যাত্রাক... ...বিভিন্ন পণ্ডিতে বিভিন্ন ভাগত... ...কুমাৰী অণ্ডৰহিলে ছটা স্তৰত... ...আত্ম-জাগৃতি দৈৱী দৃশ্য...।

২নং প্রশ্নৰ উত্তৰ ঃ নলিনীবালা দেৱী মূলতঃ এগৰাকী কবি যদিও... ...নাট, প্রবন্ধ... ...ৰচনা কৰিছে। ...তেওঁৰ প্রকাশিত আৰু অপ্রকাশিত সাহিত্যৰাজি হ'ল...।

৩নং প্রশ্নৰ উত্তৰ ঃ *নাটঘৰ*কবিতাটি এটি ৰহস্যবাদী ভাবৰ... ...কবিতাটিত সংসাৰখনক নাটঘৰৰ লগত আৰু মানুহক ভাৱৰীয়া ৰূপে... ...কবিতাটিৰ শিৰোনামটিয়ে... ...কবিৰ জীৱন সম্পর্কে লাভ কৰা অভিজ্ঞতা...।

৪নং প্রশ্নৰ উত্তৰ ঃ ৰোমাণ্টিক সাহিত্যৰ এটি ঘাই সুঁতি হৈছে ৰহস্যবাদ।...ৰোমাণ্টিক চেতনাৰ মূল কথা ব্যক্তিসত্তাৰ স্বাতন্ত্র্যতা... ...কল্পনাপ্রীতি... ...*নাটঘৰ* কবিতাটিত সংসাৰখনক 'নাটঘৰ' আৰু মানুহক 'ভাৱৰীয়া' বুলি কল্পনা... ...*নাটঘৰ* কবিতাটি ৰহস্যবাদৰ প্রথম স্তৰ... ...ৰহস্যবাদত জন্ম মানেই বন্ধন... ...মৃত্যু মানেই মুক্তি... ...বিষাদগ্রস্ততা...।

৫নং প্রশ্নৰ উত্তৰ ঃ ভক্তি-আন্দোলনে ভাৰতবর্ষত ৰহস্যবাদী ধাৰাটো... ...*নামঘোষাত* ভক্তিমূলক আৰু দার্শনিক ৰহস্যবাদৰ প্রকাশ... ...'কেৱল আনন্দ অনুভৱ'... ...'ইবাৰ নেৰিবা প্রভু'...।

৬নং প্রশ্নৰ উত্তৰ ঃ পর্যবেক্ষণ আৰু নিজস্ব ভাৱ-অনুভূতিৰ গভীৰতা তথা সাৱলীলতা... ...ভাব আৰু ভাষাৰ সাৱলীলতা... ...ব্যক্তিগত জীৱনৰ ভাব-অনুভূতিৰ স্বতঃস্ফূর্ত প্রকাশ... ...অম্বিকাগিৰী ৰায়চৌধুৰীৰ ভাব আৰু ভাষাৰ তুলনাত... ...নলিনী-কাব্যত চিত্রময় ভাষা...।



৮.১০ আৰ্হি প্ৰশ্ন

প্ৰশ্ন ১ ঃ নলিনীবালা দেৱীৰ কবিতাত কোনবোৰ কাৰকে প্ৰভাৱ বিস্তাৰ কৰিছে, চমুকৈ আলোচনা কৰক।

প্ৰশ্ন ২ ঃ ৰহস্যবাদ সম্পৰ্কে এটি নাতিদীৰ্ঘ প্ৰবন্ধ যুগুত কৰক।

প্ৰশ্ন ৩ ঃ অসমীয়া ৰহস্যবাদী কবিতাৰ ধাৰাটিৰ এটি আলোচনা প্ৰস্তুত কৰক।

প্ৰশ্ন ৪ ঃ অসমীয়া ৰহস্যবাদী কবিতাত নলিনী-কাব্যৰ স্থান সম্পৰ্কে বিশ্লেষণ কৰি দেখুৱাওক।

প্ৰশ্ন ৫ ঃ *নাটঘৰ*কবিতাটিৰ বিষয়বস্তুৰ আভাস দাঙি ধৰি ৰহস্যবাদী কবিতা হিচাপে এটি মূল্যায়ন আগবঢ়াওক।

প্ৰশ্ন ৬ ঃ অম্বিকাগিৰী ৰায়চৌধুৰীৰ কবিতাৰে সৈতে নলিনীবালা দেৱীৰ কবিতাৰ এটি তুলনামূলক আলোচনা দাঙি ধৰক।

*** ***** ***